**দ্বিত্ব ব্যঞ্জন আৰু যুক্তাক্ষৰ ঃ** (আখৰ-জোঁটনি)

দ্বিত্ব ব্যঞ্জন হ'ল একোটাহঁত সংযুক্ত বৰ্ণ। একেটা বৰ্ণ বা আখৰকে দুটা লগ লগাই অৰ্থাৎ সংযুক্ত কৰি লিখিলেসেই ৰূপটোক দ্বিত্ব ব্যঞ্জন বোলা হয়। যেনে— ক্ + ক = ক্ক, ব্ + ব = ব্ব ইত্যাদি। মহাপ্ৰাণ বৰ্ণবোৰ দ্বিত্ব হ'লে মহাপ্ৰাণ বৰ্ণটো তাৰ পিছৰ অল্পপ্ৰাণ বৰ্ণটোৰ লগত যুক্ত হয়। যেনে—ধ্ + ধ = দ্ধ। ধ-ৰ অল্পপ্ৰাণ বৰ্ণ দ। গতিকে দ্ধ ৰূপ ই লাভ কৰিছে। দ্বিত্বৰ ব্যৱহাৰ কিছুমান শব্দত অপৰিহাৰ্য। যেনে— মক্কা, সত্ত্বা, উজ্জ্বল, সন্ন্যাসী, উল্লাস ইত্যাদি।

আনহাতে অসমীয়া ভাষাৰ যুক্তাক্ষৰে কেতিয়াবা জটিল সমস্যাৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। বানান ভুল হোৱাৰ এটা কাৰণ যুক্তাক্ষৰ। ই বিভ্ৰান্তিবো সৃষ্টি কৰে। যেনে— ত্ৰ = ত্ + ৰ, কিন্তু ক্ৰ = ত্ + ৰ্ + ন নহয়, ক + ৰ হে। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা যুক্তাক্ষৰসমূহ এনে—

| | |
|---|---|
| হ্ন = হ্ + ন, | ন্থ = ন্ + থ, |
| ঘ্ন = ঘ্ + ন, | হ্ণ = হ্ + ণ, |
| ষ্ণ = ষ + ণ, | স্ন = স্ + ন, |
| ঙ্ক = ঙ্ + ক, | ঙ্গ = ঙ্ + গ, |
| ক্ত = ক্ + ত, | ঞ্জ = ঞ্ + জ, |
| ঞ্চ = ঞ্ + চ, | ঞ্ছ = ঞ্ + ছ, |
| ত্থ = ত্ + থ, | ক্ষ্ণ = ক্ষ্ + ণ, |
| হৃ = হ্ + ঋ, | গ্ধ = গ + ধ, |
| ৰু = ৰ্ + উ, | ৰু = ৰ্ + উ, |
| হু = হ্ + উ, | ন্ধ = ন্ + ধ, |
| দ্ধ = দ্ + ধ, | ৰ্ধ = ৰ্ + ধ, |
| হ্ম = হ্ + ম, | ণ্ড = ণ্ + ড, |
| ত্ত = ত্ + ত, | ত্ৰু = ত্ + ৰ্ + উ ইত্যাদি। |

**ৰেফ্ আৰু ৰ-কাৰৰ ব্যৱহাৰ/ ৰেফযুক্ত দ্বিত্ব ঃ**

ৰ-এটা তৰল বৰ্ণ। ৰ বৰ্ণটো অন্য বৰ্ণৰ আগত সংযুক্ত হ'লে তাক ৰেফ্ বোলে। যিটো বৰ্ণৰ লগত যুক্ত হয়, সেই বৰ্ণটোৰ ওপৰত এডাল হেলনীয়া মাত্ৰাৰে ৰেফ্ লিখা হয়। যেনে—ৰ্ + খ = ৰ্খ, ৰ্ + শ = ৰ্শ ইত্যাদি।

ৰ বৰ্ণটো অন্য বৰ্ণৰ পিছত যুক্ত হ'লে তাক ৰ-কাৰ বোলে। তেতিয়া ইয়াক সংযুক্ত বৰ্ণটোৰ তলত লিখা হয় আৰু ইয়াৰ ৰূপৰো পৰিবৰ্তন ঘটে। যেনে—ক্ + ৰ = ক্ৰ, প্ + ৰ = প্ৰ, শ্ + ৰ = শ্ৰ ইত্যাদি। ৰেফ্যুক্ত বৰ্ণৰে শব্দ আৰম্ভ হ'ব নোৱাৰে। ৰ-কাৰ ব্যঞ্জন শব্দৰ আদ্য আৰু মধ্য উভয় স্থানতে থাকিব পাৰে।

ৰেফ্যুক্ত দ্বিত্বৰ ব্যৱহাৰ সম্প্ৰতি নোহোৱা হৈছে। তৎসম শব্দবোৰত ৰেফ্যুক্ত দ্বিত্বৰ নিয়ম আছিল। কিন্তু ১৯৩৮ চনত অসমীয়া শব্দৰ বানান নিৰূপণৰ অৰ্থে গঠন কৰা কমিটীখনে ৰেফ্যুক্ত বৰ্ণ দ্বিত্ব নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। যেনে— কৰ্ম, আৰ্য, পৰ্বত ইত্যাদি। কিন্তু কাৰ্য্য শব্দত দ্বিত্ব থাকি গ'ল। ৰেফ্ৰ পিছত লিখা দ্ধ পিছলৈ কেৱল ধ লিখা হ'ল। যেনে— অৰ্দ্ধ—অৰ্ধ, দুৰ্দ্ধৰ্ষ—দুৰ্ধৰ্ষ, ঊৰ্দ্ধ—ঊৰ্ধ্ব ইত্যাদি। ৰেফ্ৰ পিছত লিখা চ্ছ পিছলৈ কেৱল ছ লিখা হয়। যেনে—মূৰ্চ্ছা—মূৰ্ছা, মূৰ্চ্ছনা—মূৰ্ছনা ইত্যাদি। একেদৰে, দুটা ত-ৰ লগত ৰ-কাৰ থকা শব্দৰ এটা ত লোপ পালে। যেনে—পুত্ত্ৰ—পুত্ৰ, উত্ত্ৰৱল—উত্ৰৱল।

**হাইফেনৰ ব্যৱহাৰ ঃ**

হাইফেনৰ প্ৰয়োগ সংস্কৃতত নাছিল। ই অসমীয়ালৈ নতুনকৈ আমদানি হৈছে। "শব্দৰ উচ্চাৰণ শুদ্ধকৈ ৰাখিবলৈ আৰু দ্ব্যৰ্থকতা গুচাই অৰ্থ সুস্পষ্ট কৰিবলৈ হাইফেন প্ৰয়োগ কৰা হয়।"[১]

(ক) এটা মাত্ৰ স্বৰান্ত অক্ষৰৰ শব্দৰ পিছত অন্য শব্দ যোগ হ'লে প্ৰথম অক্ষৰটোৰ দীৰ্ঘ মাত্ৰা ৰক্ষা কৰিবলৈ হাইফেন দিব লাগে। যেনে—ন-গাঁও, ৰ-বৈয়া, গা-ধন, সু-পুৰুষ, ন-শিকাৰু ইত্যাদি।

(খ) নঞৰ্থক অনা-উপসৰ্গৰে আৰম্ভ হোৱা শব্দত সন্ধি হৈ লগ নালাগিলে হাইফেন ব্যৱহাৰ কৰা হয়। যেনে—অনা-অসমীয়া, অনা-কটা ইত্যাদি।

(গ) বৰ্ণ, ধ্বনি বা আখৰ বুজাবলৈ হাইফেন ব্যৱহাৰ কৰা হয়। যেনে—অ-বৰ্ণ, ৰ-কাৰ ইত্যাদি।

(ঘ) অন্য লিপিত লিখা শব্দত অসমীয়া প্ৰত্যয় বা বিভক্তি লগ লাগিলে

হাইফেন দিব লাগে। যেনে— UGC-ৰ, London-অলৈ ইত্যাদি।

(ঙ) একাধিক ভিন্ন শব্দ লগ লাগি এটা গোট হ'লে হাইফেন ব্যৱহাৰ কৰিব পাৰি। যেনে— ভাষা-কলা-সংস্কৃতি ইত্যাদি।

অৱশ্যে কোনো ক্ষেত্ৰত হাইফেন চম্পাগুভুলকৈ বা অনাৱশ্যকভাৱেও ব্যৱহাৰ কৰা দেখা যায়—

(ক) সমাসসিদ্ধ সমস্ত পদৰ মাজত হাইফেন নিদি লগা লগিকৈ লিখিব লাগে। যেনে— ছাত্ৰছাত্ৰী, ল'ৰাছোৱালী, মাহচাউল, ডেকাগাভৰু ইত্যাদি।

(খ) কিছুমান শব্দ দ্বিত্ব কৰি প্ৰয়োগ কৰা হয়। দ্বিত্বকৈ লিখা শব্দৰ মাজত হাইফেন দিব নালাগে। যেনে—মাছমাছ, পানীপানী ইত্যাদি দ্বিত্ব শব্দ এটা শব্দ হিচাপে গ্ৰহণ কৰিলেহে অৰ্থ ওলায়।

(গ) অনুকাৰ আৰু অনুৰূপ শব্দৰ দৰে যুৰীয়া শব্দতো হাইফেন নালাগে। যেনে—ওলট পালট, মৰম চেনেহ, লিৰিকি বিদাৰি ইত্যাদি।

(ঘ) বিভক্তিযুক্ত শব্দৰ দ্বিত্ব হ'লে হাইফেন নালাগে। যেনে—কানে কানে, আগে আগে ইত্যাদি।

**প্ৰত্যয় যোগ ঃ**

প্ৰত্যয় যোগৰ বাবে অসমীয়া ভাষাৰ আখৰ জোঁটনিত যথেষ্ট খেলিমেলিৰ সৃষ্টি হোৱা দেখা যায়।

**কৃৎ প্ৰত্যয় ঃ**

(ক) কৰ্তৃবাচ্যত অক, ই, অন, অনা, অনি, অনী, অনীয়া, অনীয়াৰ, অতী, অতী, অতীয়া, অৰী, অৰীয়া, আৰু, উৰা, উকা, ঈয়া, ওঁতা আদি অসমীয়া কৃৎ প্ৰত্যয়ৰ সংযোগত সৃষ্টি হোৱা শব্দবোৰ এনেধৰণৰ—

অক ঃ লিখ্ + অক্=লিখক,

ই ঃ ধৰ্+ই = ধৰি,

অন ঃ খা + অন = খাৱন,

অনা ঃ বিন্ধ্ + অনা = বিন্ধনা,

অনি ঃ বান্ধ্ + অনি = বান্ধনি,

অনী ঃ বান্ধ্ + অনী = বান্ধনী,

অনীয়াৰ ঃ দেখ্ + অনীয়াৰ = দেখনীয়াৰ,

অতী ঃ মৰ্ + অতী = মৰতী,

অতীয়া ঃ সাঁচ্ + অতীয়া = সাঁচতীয়া,
অবী ঃ দে + অবী = দেউবী,
অবীয়া ঃ খা + অবীয়া = খাববীয়া,
আৰু ঃ লিখ্ + আৰু = লিখাৰু,
উৱা ঃ কান্দ্ + উৱা = কান্দুৱা,
ঈয়া ঃ বখ্ + ঈয়া = বখীয়া,
ওঁতা ঃ খা + ওঁতা = খাওঁতা।

(খ) ভাববাচ্যত অতি, অন্ত, আল্ আদি প্ৰত্যয়ৰ সংযোগত সৃষ্টি হোৱা শব্দবোৰ এনেধৰণৰ—
অতি ঃ খজুৱা + অতি = খজুৱতি,
অন্ত ঃ চল্ + অন্ত = চলন্ত,
আল্ ঃ বস্ + আল্ = বসাল।

(গ) ক্ৰিয়া কৰি থকা বুজালে ওঁতে; ভবিষ্যৎ কালত ইলে; অতীত কালত ইলত আদি প্ৰত্যয়ৰ সংযোগত সৃষ্টি হোৱা শব্দবোৰ এনে—
ওঁতে ঃ ধৰ্ + ওঁতে = ধৰোঁতে,
ইলে ঃ শু + ইলে = শুলে,
ইলত ঃ যা + ইলত = গ'লত।

**তদ্ধিৎ প্ৰত্যয় ঃ**

(ক) তদ্ধিৎ প্ৰত্যয়সমূহ বিভিন্ন ৰূপেৰে ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে, -ঈ প্ৰত্যয়ৰ কথা ক'ব পাৰি। ই মূলতঃ স্ত্ৰীলিংগবাচক। মামী, বৰানী, চাকৰনী, গোলাপী, ফাগুনী ইত্যাদি -ঈ প্ৰত্যয় যুক্ত শব্দ। অৱশ্যে লিংগ নিৰপেক্ষ ৰূপতো -ঈ প্ৰত্যয় ব্যৱহাৰ হয়। যেনে— ধনী, দেশী, ৰাজস্থানী, বিলাতী ইত্যাদি।

(খ) -ঈয় প্ৰত্যয় ব্যৱহাৰত দেশীয়, পূজনীয়, শাৰদীয় ইত্যাদি শব্দ গঢ় লয়। -ঈয়া প্ৰত্যয় কেৱল জাতিবাচক শব্দত যুক্ত হয়। যেনে— অসমীয়া, ভূটীয়া ইত্যাদি।

(গ) -ই প্ৰত্যয় বিশেষ্যবাচক। যেনে— চাকৰি, পাচলি, পোহাৰি, আদৰি, নিগাজি ইত্যাদি।

(ঘ) -অনি বিশেষ্য আৰু বিশেষণবাচক প্ৰত্যয়। যেনে— ধাননি, শাকনি, ভটিয়নি ইত্যাদি।

(ঙ) -আলি বিশেষ্য আৰু বিশেষণবাচক প্ৰত্যয়। যেনে— বেজালি, ভোগালি, দীপালি ইত্যাদি।

(চ) -ইয়া প্ৰত্যয়ৰ সংযোগত হালধীয়া, ৰখিয়া, বছৰেকিয়া, গৰখিয়া ইত্যাদি শব্দৰ সৃষ্টি হয়।

(ছ) -ইয়াল আৰু -ইয়াৰ প্ৰত্যয়ৰ সংযোগত মৰমিয়াল, ৰাগিয়াল, মগনিয়াৰ, খাটনিয়াৰ ইত্যাদি শব্দৰ সৃষ্টি হয়।

নিৰ্দেশাত্মক আৰু অনিৰ্দেশাত্মক প্ৰত্যয়সমূহৰ ব্যৱহাৰিক ক্ষেত্ৰতো আখৰ জোঁটনিত সমস্যাৰ সৃষ্টি হয়। কোনো বস্তুৰ আকৃতি, প্ৰকৃতি, লিংগ নিৰ্দিষ্টকৈ বুজাবলৈ নিৰ্দেশাত্মক প্ৰত্যয় ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে, বহল আৰু পাতল বস্তু বুজাবলৈ চলা/চলি, খন/খনি প্ৰত্যয় ব্যৱহাৰ কৰা হয়। যেনে— কাঠচটা, টিংখন ইত্যাদি।

অসমীয়া ভাষাত সততে প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহ হ'ল—

কণ, কণি : ল'ৰাকণ, দয়াকণি

কোছা, আটি, মুঠি : চুলিকোছা, খৰিআঁটি, ঘাঁহমুঠি

খন, খনি : কিতাপখন, নৈখনি

বিৰা, খিলা : পানবিৰা, পাতখিলা

গছ, গছি : চাকিগছ, বন্তিগছি

গৰাকী : নেতাগৰাকী

গোট : হৰিণগোট

চটা/চটি : বাঁহচটা, পাটচটি

জন, জনা, জনী : ল'ৰাজন, ৰাণীজনা, ছোৱালীজনী

টা, টি, টো : এটা, ল'ৰাটি, ঘৰটো

টাঁৰ, টাঁৰি, টুকুৰা, টুকুৰি : চুলিটাঁৰ, চুলীটাঁৰি, কাঠটুকুৰা, ৰছীটুকুৰি

ডাল, ডালি, ডোখৰা, ডুখৰি : বাঁহডাল, লতাডালি, খৰিডোখৰ, কাপোৰডুখৰি।

ধাৰ, ধাৰি : মণিধাৰ, মণিধাৰি

পাট : ব'ঠাপাট

ফেৰা, ফেৰি : লোণফেৰা, মৰমফেৰি

লদা : মাটিলদা ইত্যাদি।

সংখ্যাবাচক শব্দৰ পাছত এক, মান, আদি অনির্দেশক প্ৰত্যয় সংযোগ কৰি সংখ্যাৰ অনিৰ্দিষ্টতা বুজোৱা হয়। যেনে— এক ঃ মাহ + এক = মাহেক,
মান ঃ দুটা + মান = দুটামান; দুজনমান, দুখনমান ইত্যাদি।

সংস্কৃত শব্দৰ লগত অসমীয়া প্ৰত্যয় আৰু অসমীয়া শব্দৰ লগত সংস্কৃত প্ৰত্যয় যোগ কৰি কিছুমান শব্দ সৃষ্টি কৰা হয় যদিও ই শুদ্ধ নহয়। উদাহৰণস্বৰূপে—সংখ্যাবাচক অসমীয়া শব্দৰ লগত সংস্কৃত প্ৰত্যয় তম সংযোগ কৰি বহুতে নতুন শব্দ সৃষ্টি কৰে। যেনে— সাতত্ৰিশতম; ইয়াত সাতত্ৰিশ অসমীয়া শব্দ হোৱা হেতুকে তম প্ৰত্যয় যোগ কৰিব নোৱাৰি, সপ্তত্ৰিংশতমহে শুদ্ধ।